জাতিৰ আৱেগ . সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

...তম বছৰ, সংখ্যা ১৬৩ ● মঙলবাৰ ● ৭ ফাগুন ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Tuesday February 20, 2024 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ ...





## ডি এইচ এছ কানৈ মহাবিদ্যালয়ত অসম সাহিত্য সভাৰ সভাপতি ড° সূৰ্যকান্ত হাজৰিকা

**ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ১৯ ফেব্ৰুৱাৰী ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আজি এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ সভাপতি পদ্মশ্ৰী ড° সূৰ্যকান্ত হাজৰিকাই 'উনবিংশ শতিকাৰ অসমত সাহিত্য চৰ্চা আৰু অসম বিষয়ক গ্ৰন্থৰ এটি সমীক্ষাত্মক ৰেহৰূপ' বিষয়ত বক্তৃতা আগবঢ়ায়। মহাবিদ্যালয়খনত উপস্থিত হোৱা অসম সাহিত্য সভাৰ সভাপতিগৰাকীয়ে উনবিংশ শতিকাৰ অসমীয়া ভাষা-সাহিত্যৰ জগতখনৰ বিস্তৃত বিশ্লেষণ আগবঢ়ায়। ভাষণত তেওঁ কয় যে উনবিংশ শতিকাৰ ভাষা-সাহিত্যৰ চৰ্চাই ভৱিষ্যতৰ অসমীয়া সাহিত্যৰ সৌধ নিৰ্মাণ কৰি থৈ গ'ল। মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ অধ্যাপিকা শিখামণি কোচ দেউৰীয়ে আঁত ধৰা অনুষ্ঠানটোত ড° হাজৰিকাই কয় যে উনবিংশ শতিকাত অসমত খ্ৰীষ্টান মিছনেৰীসকলৰ উপৰি প্ৰশাসন যন্ত্ৰৰ লগত জড়িত কিছুসংখ্যক লোকেও অসমীয়া ভাষা-সাহিত্যৰ উন্নতি সাধনত বৰঙনি আগবঢ়াইছিল। মহাবিদ্যালয়ৰ মুখ্যদ্বাৰত মংগল আৰতি আৰু চৰণ সেৱা কাৰ্যসূচীৰ পিছতে গায়ন-বায়ন, এন চি চি কেডেটেৰে সভাগৃহলৈ আদৰণি জনাই অনা অনুষ্ঠানটোত সভাপতিগৰাকীয়ে



উনবিংশ শতিকাত প্ৰকাশিত অসম সম্পৰ্কীয় বিভিন্ন গ্ৰন্থৰ সন্তেদ দাঙি ধৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ আগবঢ়োৱা অনুষ্ঠানটোত উদ্দেশ্য ব্যাখ্যা কৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা অঞ্জুমণি ফুকনে। আজিৰ এই অনুষ্ঠানতে সাহিত্য সভাৰ সভাপতিগৰাকীক চেলেং চাদৰ, ফুলাম গামোচা, সম্বৰ্ধনা-পত্ৰ, কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জনোৱাৰ লগতে অসম সাহিত্য সভাৰ প্ৰতিষ্ঠা কালৰে পৰা বৰ্তমানলৈকে সভাপতিসকলৰ ফটো সম্বলিত এখন ফটো অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক গৌতম গগৈয়ে সভাপতিগৰাকীক প্ৰদান কৰে। অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালী আৰু ড° সূৰ্যকান্ত হাজৰিকাৰ সহধৰ্মিণী তথা গুৱাহাটীৰ এছ কে হাজৰিকা মহাবিদ্যালয়ৰ অধ্যক্ষা ইভা হাজৰিকাই বক্তৃতা আগবঢ়ায়। অনুষ্ঠানটোত মহাবিদ্যালয়ৰ ছাত্ৰী-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক অধ্যাপক ড° জ্যোতি প্ৰসাদ ফুকন, অসমীয়া বিভাগৰ সমূহ অধ্যাপক-অধ্যাপিকা, মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শলাগ জ্ঞাপন কৰে অসমীয়া বিভাগৰ অধ্যাপক অসীম শইকীয়াই।

## চৰকাৰে হিতাধিক... মহিলাসকলক পৰমু... তোলাৰ অভিযোগ ম...

**তিনিচুকীয়া ঃ ষ্টাফ ৰিপৰ্টাৰ,১৯ ফেব্ৰুৱা...** কংগ্ৰেছে আজি জিলা কংগ্ৰেছৰ কাৰ্যালয়ত ... চৰকাৰক সমালোচনা কৰে। সংবাদমেল স... সভাপতি শোভা দহোটীয়াই শাসনাধিষ্ঠিত ... কৰি কয় যে চৰকাৰে ভোটৰ আশাত হকে... বিশেষকৈ মহিলাসকলক পৰমুখাপেক্ষী ক... বস্তুৰ আকাশ লংঘী মূল্যবৃদ্ধি কৰাৰ ফলত ... হৈছে। বৰ্তমান মহিলাসকলে ন্যায় বিচাৰিছে। ... প্ৰজা নামৰ এগৰাকী মহিলাক ধৰ্ষণ কৰি হত... ন্যায় নাপালে বুলি জিলা মহিলা কংগ্ৰেছৰ ... কৰে। প্ৰসংগত জোনমণি ৰাভা, কণমাই বৰাই... প্ৰকাশ কৰে। জীৱিকা সখী, অংগনৱাড়ী কৰ্মী, ... নিম্নতম পাৰিশ্ৰমিক দি বহু কামৰ বোজা জ... ভাষাৰে সমালোচনা কৰে। অংগনৱাড়ী কৰ্মী, ... ন্যায় বিচাৰি ৰাজপথলৈ ওলাই আহিব লগীয়... তোলা বুলি কয়। চৰকাৰে মহিলাসকলক ন্যা... বুলিও কংগ্ৰেছে অভিযোগ কৰিছে। কেৱল জ... মন্ত্ৰীসকলে কথাৰ ফুলজাৰি মাৰি থাকে বুলি... জিলা কংগ্ৰেছৰ সভাপতি প্ৰণৱ বৰুৱা, জি... সম্পাদিকা(প্ৰশাসনিক)দীপাঞ্জলি বাইলুং আ...

## নাৰায়ণপৰতো ৪টা সুদখোৰক আটক ...